# 2018

## ELECTIVE ASSAMESE

*Full Marks : 60*

*Time : 3 hours*

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) কোনগৰাকী প্ৰাচ্যতত্ত্ববিদ্ পণ্ডিতে ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালক 'আৰ্য' নামেৰে নামকৰণ কৰিছিল ?

(খ) 'ঋক্‌বেদ'ৰ প্ৰাচীনতম কবিতাবোৰৰ ৰচনাকাল আনুমানিক কিমান ?

(গ) মানবিশিষ্ট বা শ্ৰেষ্ঠ প্ৰাকৃত বুলি কোনবিধ সাহিত্যিক প্ৰাকৃতক বুজোৱা হয় ?

(ঘ) কক্‌বৰক্ ভাষাটো কোন ভাষাগোষ্ঠীৰ অন্তৰ্গত ?

(ঙ) প্ৰসিদ্ধ চীনা পৰিব্ৰাজক হিউয়েন চাঙে তেওঁৰ ভ্ৰমণ-বিৱৰণত কামৰূপৰ ভাষা ভাৰতৰ কোন অঞ্চলৰ ভাষাৰ পৰা কিছু পৃথক বুলি মন্তব্য কৰিছে ?

(চ) কামৰূপী উপভাষাত অপিনিহিতিৰ সংখ্যা কিয় বেছি ?

(ছ) অসমীয়া ভাষাৰ এটি নৃগোষ্ঠীয় উপভাষাৰ নাম লিখা।

২। চমু উত্তৰ দিয়া : $\quad$ ২×৪=৮

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালক কোনে, কিমান চনত 'কেন্তুম্' আৰু 'সতম্' নামে বিভাজন কৰিছিল ?

(খ) অপভ্ৰংশ ভাষাৰ দুটা প্ৰধান ধ্বনিগত বিশেষত্ব উদাহৰণসহ উল্লেখ কৰা।

(গ) গ্ৰীয়াৰ্ছনৰ মতে মাগধী অপভ্ৰংশ পূব দিশত কেইটা দিশেৰে বিয়পি পৰিছিল আৰু সেইকেইটা কি কি ?

(ঘ) অসমৰ কোন অঞ্চলৰ উপভাষাক মধ্য অসমৰ উপভাষা বোলা হয় ?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : $\quad$ ৫×৩=১৫

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ মহত্ব আৰু গৌৰবৰ কাৰণসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) মাগধী প্ৰাকৃত বা মাগধী অপভ্ৰংশৰ কোনবোৰ বৈশিষ্ট্যৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক আছে, বিচাৰ কৰা।

(গ) অসমীয়া আৰু বাংলা ভাষাৰ মাজত থকা ধ্বনিগত বৈসাদৃশ্যৰ বিষয়ে উদাহৰণসহ বিশ্লেষণ কৰা।

(ঘ) গোৱালপৰীয়া উপভাষাৰ পাঁচটা ৰূপতাত্ত্বিক বৈশিষ্ট্য উদাহৰণসহ লিখা।

(ঙ) বিদেশী ভাষাৰ কোনবোৰ শব্দ অসমীয়া শব্দভাণ্ডাৰত সোমাই পৰিছে, উদাহৰণসহ বুজাই লিখা।





৪। (ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ ভাষাগত বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা। $\quad$ ১০

অথবা

(খ) মধ্য-ভাৰতীয় আৰ্যভাষা কাক বোলে? মধ্য-ভাৰতীয় আৰ্যভাষাৰ বিকাশ কেতিয়া হৈছিল? প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা মধ্য-ভাৰতীয় আৰ্যভাষা পৃথক হৈ পৰাৰ ক্ষেত্ৰত লক্ষণীয় প্ৰধান বৈশিষ্ট্য পাঁচটাৰ উল্লেখ কৰা। $\quad$ ২+১+৭=১০

৫। (ক) "অসমীয়া ভাষাটো মূলতঃ দুটা প্ৰৱাহৰ সমষ্টি।" এই উক্তিৰ আধাৰত অসমীয়া ভাষাৰ প্ৰধান প্ৰৱাহ দুটি সম্বন্ধে আলোচনা কৰা। $\quad$ ১০

অথবা

(খ) অসম আৰু ওচৰচুবুৰীয়া ৰাজ্যসমূহত প্ৰচলিত অষ্ট্ৰিক ভাষাগোষ্ঠীৰ ভাষাসমূহৰ চমু পৰিচয় দাঙি ধৰি এটি প্ৰবন্ধ লিখা। $\quad$ ১০

৬। (ক) উপভাষা সৃষ্টি কেনেকৈ হয়? অসমীয়া ভাষাৰ উপভাষা সৃষ্টিৰ প্ৰধান কাৰণসমূহ বিশ্লেষণ কৰি এটি চমু প্ৰবন্ধ যুগুত কৰা। $\quad$ ২+৮=১০

অথবা

(খ) অসমীয়া ভাষাৰ শব্দমালাৰ সমৃদ্ধিত থলুৱা ভাষাসমূহৰ বৰঙণি সম্পৰ্কে বিৱৰি লিখা। $\quad$ ১০

★★★